থকা এটি লোক বিশ্বাস উপন্যাসৰ কাহিনীত বৰ্ণিত হৈছে। যেতিয়া বহাগ-জেঠ মহীয়া বৰদৈচিলা মাকৰ ঘৰলৈ যায় আৰু মাকৰ ঘৰৰ পৰা উভতি আহে (ধুমুহা বতাহ বলে) তেতিয়া ঘৰৰ জীয়ৰী-বোৱাৰীয়ে চোতালত পীৰা পাৰি দি আহিনা, যাতে বৰদৈচিলাই সেই পীৰাত বহি আইনাত মুখ চাই মূৰ ফণিয়াই থাকোঁতে বতাহৰ বেগ কমি যায়। এয়া অসমীয়া মানুহৰ লোকবিশ্বাস। কেতুপুৰৰ জনসাধাৰণেও এই একে বিশ্বাস মনত ৰাখি—

*ঝড় শুরু হইলে ঘরে ঘরে মেয়েরা উনানে পিঁড়ি পাড়িয়া দিয়াছে*
*— ঝড়ের দেবতা বসিবেন, শান্ত হইবেন। পৃ ঃ ৫৭*

সৰ্বোপৰি পদ্মাৰ বুকুত নাও বাই জীৱন যাপন কৰা মাঝি সকলে গোৱা গীতৰ সংযোজনে উপন্যাসৰ কাহিনীত সেই অঞ্চলৰ সংস্কৃতিক পূৰ্ণ ৰূপত প্ৰতিভাত কৰিছে।—

*আঁধার রাইতে আশমান জমিন ফারাক কইরা থোও*
*বোনধু ক'ত ঘুমাইবা।*
*বাঁয়ে বিবি ডাইনে পোলা আকাল ফসল রোও*
*মিয়া ক'ত ঘুমাইবা।... পৃ ঃ ৩৯*